# এন আৰ এলৰ যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ ২০ খন আই চি ইউ বিছনাসহ ১২০ খন বিছনাৰ কঁভিড-১৯ সেৱা সুবিধা প্ৰদান

গুৱাহাটী, ১৪ জুন ঃ নুমলীগড় ৰিফাইনেৰী লিমিটেডে(এন আৰ এল) ক'ভিড-১৯ মহামাৰীৰ বিৰুদ্ধে মোকাবিলা কৰাত অসম চৰকাৰৰ প্ৰতি থকা ধাৰাবাহিক সমৰ্থন প্ৰদানৰ অংশ হিচাপে যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ২০ খন আই চি ইউ বিছনাসহ সম্পূৰ্ণ ১২০ খন বিছনাযুক্ত ক'ভিড সেৱা হাস্পতালৰ সুবিধা প্ৰদান কৰে। এই সুবিধাই উজনি অসমৰ জনসাধাৰণক ক'ভিড-১৯ চিকিৎসা সেৱা প্ৰদানত অৰিহণা যোগাব বুলি আশা কৰা হৈছে যিহেতু যোৰহাট হৈছে তিনিখন কাষৰীয়া জিলা— যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ জিলাৰ জনসাধাৰণৰ কেন্দ্ৰীয় সুগম্য জিলা।

আজি যোৰহাটত এন আৰ এল-ৰ পৰিচালন সঞ্চালক শ্ৰী এছ. কে. বৰুৱা আৰু লোকসভাৰ সাংসদ শ্ৰী তপন কুমাৰ গগৈয়ে ৰাজ্যসভাৰ সাংসদ শ্ৰীকামাখ্যা প্ৰসাদ তাছা, যোৰহাট সমষ্টিৰ বিধায়ক শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, যোৰহাটৰ উপায়ুক্ত শ্ৰী অশোক কুমাৰ বৰ্মন আৰু এন আৰ এল-ৰ কাৰিকৰী সঞ্চালক শ্ৰী ভাস্কৰজ্যোতি ফুকন, জে এম চি এইচৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ড০ ৰত্ন কান্ত তালুকদাৰ, জে এম চি এইচৰ অধীক্ষক ড০ পূৰ্ণিমা বৰুৱা আৰু নুমলীগড় ৰিফাইনেৰী লিমিটেড আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ বিষয়া আৰু চিকিৎসকে আদি কৰি বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এই সুবিধা উদ্বোধন কৰে ।

মুঠ প্ৰায় ৭ কোটি টকা ব্যয় সাপেক্ষ এই ক'ভিড কেন্দ্ৰটো ১০০ খন বিছনা, ২০ খন আই চি ইউ বিছনা, কাৰ্ডিএক মণিটৰ, ভেণ্টিলেটৰ, নেবুলাইজাৰ্ছ, অক্সিমিটাৰ, অক্সিজেন কনচেনট্ৰেটৰ আৰু বিছনাৰ কাষৰ ট্ৰলী, লকাৰ, হুইলচেয়াৰ আদিৰ দৰে অন্যান্য আচবাব পত্ৰৰে সুসজ্জিত।

এন আৰ এল-ৰ পৰা প্ৰতিনিধিত্ব কৰা এক টাস্ক ফ'ৰ্চৰ দ্বাৰা এই প্ৰকল্পটো যুদ্ধসদৃশ ক্ষীপ্ৰতাৰে যোৰহাট জিলা কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ স্বাস্থ্য সেৱা বিভাগৰ অহৰহ সমৰ্থনত সম্পূৰ্ণ কৰি তোলা হৈছে।

এই সুবিধা নিৰ্মাণৰ উপৰিও, এন আৰ এল-এ ৬ মাহৰ সময়ৰ কাৰণে আইচিইউ টেকনিচিয়ানৰ বাবে বিত্তীয় সাহায্য আগবঢ়াইছে আৰু চিকিৎসকসকলৰ বাবে ডিউটী ৰুম আৰু ক'ভিড ৱাৰ্ড হিচাপে ব্যৱহাৰ কৰিবলৈ আন এটা ভৱনো নবীকৰণ কৰি থকা হৈছে।